PGAS S1 04

অসমীয়া সংস্কৃতি

প্রথম ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা, (অৱসপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ৫ আৰু ৬	ড° মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও
২, ৩ আৰু ১১	ড° নির্মালি দাস, কোক্ৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, কোক্ৰাঝাৰ
৪ আৰু ১৪	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
৭	জয়শ্রী কলিতা, দিচপুৰ মহাবিদ্যালয়, গুৱাহাটী
৮	ড° হৰিপ্রসাদ বৰুৱা, লোকপ্রিয় অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি
৯	ড° পাচান আলি আহমেদ, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়
১০ আৰু ১২	ড° বিমল মজুমদাৰ, গুৱাহাটী বিশ্ববিদ্যালয়
১৩	ড° ৰাস্না দাস, কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু, ভাষা আৰু

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', ২০১৭, দ্বিতীয় প্রকাশ ঃ মে', ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International) : http.//creativecommons.org/licenses/by-nc-sa/4.0.

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭

উপমুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬; Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সংস্কৃতি

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ পাঠ্যবিষয়। এইখন পাঠ্যবিষয় পৰিকল্পনা কৰা হৈছে অসমীয়া সংস্কৃতি সম্পৰ্কে আপোনাক সম্যক ধাৰণা প্ৰদান কৰিবৰ বাবে। আপুনি নিশ্চয় জানে যে, কোনো এটা জাতিৰ বিষয়ে সম্পূৰ্ণভাৱে অধ্যয়ন কৰিবলৈ হ'লে আমি সেই জাতিৰ সংস্কৃতি সম্পৰ্কেও কিছু কথা অধ্যয়ন কৰিব লাগিব। অন্যথা আমি সেই জাতি সম্পৰ্কে সঠিক ধাৰণা লাভ কৰিব নোৱাৰিম। এতিয়া প্ৰশ্ন হ'ল, সংস্কৃতি মানেনো কি? সাধাৰণভাৱে সংস্কৃতি বুলিলে আমি মানুহৰ সামাজিক আচৰণ বিশেষকে বুজি পাওঁ। সামাজিক জীৱ হিচাপে মানুহে সম্পাদন কৰা বিভিন্ন কৃতিৰ সমন্বয়তে সংস্কৃতিৰ জন্ম। তেতিয়া হ'লে এই কথাষাৰৰ সূত্ৰ ধৰিয়েই আমি ক'ব পাৰোঁ যে, অসমীয়া মানুহে সম্পাদন কৰা কাৰ্য বা সমাজ-জীৱনৰ লগত সংপৃক্ত দিশসমূহেই অসমীয়া সংস্কৃতি। আপুনি নিশ্চয় এই বিষয়ে জ্ঞাত যে, অসম দেশ বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীৰ মিলনভূমি। বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণতে বৃহৎ অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে। এই পাঠ্যবিষয়খনত আমি অসমীয়া সংস্কৃতিৰ এনে কেইটিমান বিশেষ দিশ সম্পৰ্কে বিশদভাৱে আলোকপাত কৰিম।

এই পাঠ্যবিষয়খন সৰ্বমুঠ চৈধ্যটা অধ্যায়েৰে সজোৱা হৈছে। প্ৰথম অধ্যায়টিৰ শিৰোনাম হ'ল 'সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰ'। ইয়াত সংস্কৃতিৰ স্বৰূপনো কি তাৰ আলোচনা কৰা হৈছে। দ্বিতীয় আৰু তৃতীয় অধ্যায় ক্ৰমে 'অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস' আৰু 'অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণীবিভাজন'ত অসমীয়া লোকসংস্কৃতিৰ ভালেকেইটা দিশত আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায় হৈছে 'বৰ অসম ঃ সমন্বয় আৰু সমাহৰণ'ত আলোচনা কৰা হৈছে, কেনেদৰে বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীৰ সমন্বয় আৰু সমাহৰণেৰে বৃহৎ অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ সৃষ্টি কৰিছে সেই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। 'বৰ অসম'ৰ ধাৰণা মনত ৰাখি পৰৱৰ্তী অধ্যায়কেইটা আগবঢ়াই নিয়া হৈছে। পঞ্চম অধ্যায়ৰ শিৰোনাম 'অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদান', ষষ্ঠ অধ্যায় 'অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদান', সপ্তম অধ্যায় 'অসমীয়া সংস্কৃতিলৈ তিব্বত-বৰ্মীয় ভাষীৰ অৱদান', অষ্টম অধ্যায় 'অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান', নৱম অধ্যায় 'অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান'। একাদশ অধ্যায় 'অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা'ত অসমত অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত তিনিটা ধৰ্মৰ ধাৰা— বৈষ্ণৱ, শৈৱ আৰু শাক্ত ধৰ্মৰ বিষয়ে অৱধাৰণা প্ৰদান কৰা হৈছে। দ্বাদশ অধ্যায়ৰ শিৰোনাম হৈছে 'অসমত নৱবৈষ্ণৱ ধৰ্ম'। ত্ৰয়োদশ অধ্যায়ৰ শিৰোনাম 'সত্ৰীয়া সংস্কৃতি'। অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্ৰভাৱ বিস্তাৰ কৰি সাহিত্য, সঙ্গীত আৰু বিবিধ শিল্প-কলাৰ চৰ্চাৰ লগতে মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ সুযোগ প্ৰদান কৰি আহিছে সত্ৰসমূহে। সেই সত্ৰসমূহেই হৈছে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অন্যতম মাধ্যম। গতিকে উল্লিখিত দুয়োটা অধ্যায়ত নৱবৈষ্ণৱ ধৰ্মৰ লগতে সত্ৰীয়া সংস্কৃতিৰ সম্যক আভাস লাভ কৰিব। মানুহৰ সংস্কৃত জীৱন চৰ্চাৰ পৰিচয় দাঙি ধৰে বিভিন্ন সুকুমাৰ কলাসমূহে। অসমীয়া সমাজৰ সংস্কৃত জীৱন চৰ্চাৰ পৰিচয় স্বৰূপ বিভিন্ন সুকুমাৰ কলাসমূহৰ ভিতৰত লোক-পৰিৱেশ্য কলা তথা স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰৰ বিষয়ে পাঠ্যবিষয়ৰ ত্ৰয়োদশ অধ্যায়ত আলোচনা কৰা হৈছে। পাঠ্যবিষয়ৰ চতুৰ্দশ তথা শেষ অধ্যায় 'বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি'ত বিশ্বায়নৰ ধাৰণা, সাংস্কৃতিক জীৱন চিন্তাত বিশ্বায়নে কেনে ধৰণৰ সকাৰাত্মক আৰু নকাৰাত্মক প্ৰভাৱ পেলায় তাৰ আলোচনা এই অধ্যায়টোত কৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ

লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰ** সংস্কৃতিৰ সংজ্ঞা; সমাজ আৰু সংস্কৃতি; সংস্কৃতি আৰু পৰিৱেশ; সংস্কৃতিৰ স্বৰূপ আৰু উপাদান ঃ সংস্কৃতিৰ স্বৰূপ, সংস্কৃতিৰ উপাদান, সংস্কৃতিৰ বৈশিষ্ট্য, সংস্কৃতিৰ ভাগ	৮	৭-২৬
অধ্যায় ২ ঃ	**অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস** লোকসংস্কৃতিৰ সংজ্ঞা; লোকসংস্কৃতিৰ বৈশিষ্ট্য; লোকসংস্কৃতিৰ শ্রেণী বিভাজন ঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা	৭	২৭-৪৫
অধ্যায় ৩ ঃ	**অসমীয়া লোকসংস্কৃতিৰ শ্রেণীবিভাজন** অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয়; অসমীয়া লোকসংস্কৃতিৰ শ্রেণী বিভাজন ঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা	৭	৪৬-৬২
অধ্যায় ৪ ঃ	**বৰ অসম ঃ সমন্বয় আৰু সমাহৰণ** অসম নামৰ উৎপত্তি; অসমৰ ভৌগোলিক অৱস্থিতি; সমন্বয় আৰু সমাহৰণ ঃ অসমৰ জনগাঁথনি, ভাষা আৰু সাহিত্য, ধর্ম, উৎসৱ-পার্বণ, সামাজিক লোকাচাৰ, খাদ্য, সাজপাৰ, অলঙ্কাৰ, সঙ্গীত, পৰিৱেশ্য কলা	৮	৬৩-৮৮
অধ্যায় ৫ ঃ	**অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদান** অসমৰ নৃগোষ্ঠীসমূহ ঃ ভূমিকা, নৃগোষ্ঠীসমূহৰ প্রজাতিগত (Racial) পৰিচয়; অসমীয়া লোক-সংস্কৃতিলৈ নৃগোষ্ঠীয় অৱদান ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য বিভিন্ন দিশত অৱদান	৭	৮৯-১০৮
অধ্যায় ৬ ঃ	**অসমীয়া লোকসংস্কৃতিলৈ অষ্ট্রিকসকলৰ অৱদান** অসমত বসবাস কৰা অষ্ট্রিকসকল; অসমীয়া লোকসংস্কৃতিলৈ অষ্ট্রিকসকলৰ অৱদান ঃ ভাষিক অৱদান, উৎসৱ-পার্বণ, লোকবিশ্বাস, সামাজিক প্রথা, ভৌতিক সংস্কৃতি	৭	১০৯-১১৭
অধ্যায় ৭ ঃ	**অসমীয়া সংস্কৃতিলৈ তিব্বত-বর্মীয় ভাষীৰ অৱদান** তিব্বত-বর্মীয় ভাষিক গোষ্ঠীসমূহৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিলৈ তিব্বত-বর্মীয়সকলৰ অৱদান ঃ মৌখিক সাহিত্য, ভৌতিক সাহিত্য, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান	৭	১১৮-১২৯
অধ্যায় ৮ ঃ	**অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান** টাই ভাষিক গোষ্ঠীৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান ঃ ভাষা, সাহিত্য, ধর্ম, স্থাপত্য আৰু ভাস্কর্য, চিত্রকলা, বস্ত্রশিল্প, অলঙ্কাৰ আৰু অন্যান্য	৭	১৩০-১৪৪
অধ্যায় ৯ ঃ	**অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান** অসমীয়া সংস্কৃতি আৰু মুছলমানসকল ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান	৭	১৪৫-১৬৩

অধ্যায় ১০ ঃ **অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা** ৭ ১৬৪-১৭৮
ধৰ্ম আৰু সংস্কৃতি; অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা; অসমত শৈৱ ধৰ্মৰ পৰম্পৰা; জনজাতীয় আৰু আহোম সমাজত শৈৱ ধৰ্ম; শিৱৰ সহস্ৰ নাম আৰু উপাসনা পদ্ধতি; অসমত শাক্ত ধৰ্মৰ পৰম্পৰা; দেৱীৰ বিভিন্ন ৰূপ

অধ্যায় ১১ ঃ **অসমৰ নৱবৈষ্ণৱ ধৰ্ম** ৭ ১৭৯-১৯৫
সৰ্বভাৰতীয় ভক্তি আন্দোলন; অসমৰ নৱবৈষ্ণৱ ধৰ্ম ঃ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি, নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্যসমূহ, নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা, নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত সাহিত্য কৰ্মৰ চমু পৰিচয়

অধ্যায় ১২ ঃ **সত্ৰীয়া সংস্কৃতি** ৭ ১৯৬-২০৭
সত্ৰ ঃ সাধাৰণ পৰিচয়; সত্ৰৰ সংজ্ঞা, গঠন প্ৰণালী আৰু শ্ৰেণী বিভাজন; সত্ৰীয়া সঙ্গীত, নৃত্য আৰু অঙ্কীয়া নাট; সত্ৰীয়া চিত্ৰকলা; সত্ৰৰ ধৰ্মীয় আচাৰ

অধ্যায় ১৩ ঃ **অসমৰ স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰ** ৭ ২০৮-২২৬
অসমৰ স্থাপত্য-ভাস্কৰ্য ঃ প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য, আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য; অসমৰ পুথিচিত্ৰ;

অধ্যায় ১৪ ঃ **বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি** ৭ ২২৭-২৪০
বিশ্বায়নৰ চমু পৰিচয়; বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি ঃ গণমাধ্যমসমূহ, জনপ্ৰিয় সংস্কৃতি (Popular Culture), চাইবাৰ কাল্‌চাৰ, অন্যান্য ন-ধাৰাসমূহ

প্ৰসঙ্গ পুথি ২৪১-২৪২